জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৬/২০২১

# বৰ্ষীয়ান ৰাজনীতিক, ৰাজ্য সভাৰ প্ৰাক্তন সাংসদ নবীন চন্দ্ৰ বুঢ়াগোঁহাইৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৮ মে' ঃ** বৰ্ষীয়ান ৰাজনীতিক, ৰাজ্য সভাৰ প্ৰাক্তন সাংসদ নবীন চন্দ্ৰ বুঢ়াগোঁহাইৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰ্ষীয়ান ৰাজনীতিক গৰাকীয়ে ৰাজ্যখনৰ সমাজ জীৱনলৈ যি অৱদান আগবঢ়াই গ'ল সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত বুঢ়াগোঁহাইয়ে ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ হিচাপে ৰাজ্যখনৰ সমস্যাসমূহ ৰাজ্যসভাত উত্থাপন কৰাৰ দিশটো বৰঙনি যোগাই গৈছে। এগৰাকী অধিবক্তা তথা যোৰহাট আইন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ হিচাপেও তেখেতে বৰঙনি যোগাই গৈছে। এইগৰাকী বিশিষ্ট ব্যক্তিৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত নবীন চন্দ্ৰ বুঢ়াগোঁহাইৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গ তথা গুণমুগ্ধসকললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**২৮/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in